অসম

‘সি পুনৰ আমাৰ মাজলৈ উভতি আহক’—জুবিনৰ জন্মদিনত আবেগিক পিতৃ কপিল বৰঠাকুৰ

জুবিন গার্গৰ ৫৪ সংখ্যক জন্মদিনত পিতৃ কপিল বৰঠাকুৰে পুত্রক পুনৰ উভতি আহিবলৈ ঈশ্বৰৰ ওচৰত প্রার্থনা জনায়।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৩



Zubeen Garg's father prays for his return on 54th birthday (NewzNow)

গুৱাহাটী, ১৮ নৱেম্বৰ: প্রাণৰ শিল্পী জুবিন গার্গৰ ৫৪ সংখ্যক জন্মদিনত আবেগিক হৈ পৰিল পিতৃ কপিল বৰঠাকুৰ। পুত্রৰ জন্মদিনৰ দিনটোত স্মৃতি আৰু আবেগেৰে ভৰা কণ্ঠেৰে তেওঁ ঈশ্বৰৰ ওচৰত প্রার্থনা জনাই কয়।

> “সি পুনৰ আমাৰ মাজলৈ উভতি আহক।”

জুবিনৰ জন্মদিন উপলক্ষে শিল্পীগৰাকীৰ প্রতি অসমবাসীয়ে দেখুওৱা মৰম আৰু ভালপোৱাৰ বাবে কপিল বৰঠাকুৰে কৃতজ্ঞতা প্রকাশ কৰে। জুবিনৰ প্রতি ৰাইজৰ এই অকৃত্রিম মৰম যেন সদায় অটুট থাকে, তাৰেই কামনা কৰে তেওঁ।

পুত্রক হেৰুৱাৰ বেদনাৰ মাজতো জুবিনৰ জন্মদিনত অনুৰাগী আৰু ৰাইজে দেখুওৱা মৰমে পৰিয়ালটোক আবেগিক কৰি তুলিছে। জুবিনৰ প্রতি মানুহৰ এই ভালপোৱা আৰু শ্রদ্ধা অব্যাহত থাকক, সকলোৱে তেওঁক সদায় মৰম কৰি থাকক বুলিও কপিল বৰঠাকুৰে কামনা প্রকাশ কৰে।

জুবিন গার্গ আজি শাৰীৰিকভাৱে নাই যদিও তেওঁৰ গীত, সুৰ আৰু স্মৃতি অসমৰ মানুহৰ হৃদয়ত গভীৰভাৱে বৈ গৈছে। জন্মদিনৰ দিনটোত পিতৃৰ এই আবেগিক আহ্বানে পুনৰ এবাৰ জুবিনৰ প্ৰতি অসমবাসীৰ অগাধ মৰম আৰু আৱেগৰ প্ৰতিফলন ঘটায়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4089/zubeen-garg-birthday-kapil-borthakur